# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-06-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***
***Headlines***
***--------------------***

ৰাজ্যৰ কেইবাখনো জিলাত শেহতীয়াকৈ বান পৰিস্থিতিয়ে জটিল ৰূপ ধাৰণ কৰিছে। বছৰৰ প্ৰথমটো বানত ৰাজ্যৰ ২২ খন জিলাৰ ৫ লাখ ১৫ হাজাৰৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। প্ৰশাসনে স্থাপন কৰা ৩২২ টা আশ্ৰয় শিবিৰত ৩১ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে। ৰাজ্যখনত শেহতীয়া বানত ১৩ জন লোকে প্ৰাণ হেৰুৱাইছে। এছ ডি আৰ এফে ধেমাজি আৰু হাইলাকান্দি জিলাৰ লগতে আন কেইবাখনো জিলাত আবদ্ধ লোকৰ উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি লখিমপুৰ জিলাৰ বান পৰিস্থিতিৰ বুজ লোৱাৰ লগতে বানপীড়িতসকলৰ সৈতে মত বিনিময় কৰে। তেওঁ জিলাখনৰ পাচনৈ, বৰবিল আৰু নাওবৈচা সমষ্টিৰ আমতলা অঞ্চল পৰিদৰ্শন কৰি বানত ক্ষতিগ্ৰস্ত লোকসকলৰ অৱস্থাৰ বুজ লয়। এই স্পৰ্শকাতৰ সময়ত চৰকাৰে ক্ষতিগ্ৰস্তসকলক সকলো প্ৰকাৰে সকাহ আৰু সাহায্য প্ৰদানৰ ব্যৱস্থা কৰিব বুলি তেওঁ আশ্বাস দিয়ে। বান পৰিস্থিতিৰ বুজ লোৱাৰ বাবে মুখ্যমন্ত্ৰীগৰাকী আজি শিলচৰত উপস্থিত হ'ব। তেওঁ প্ৰথমে শিলচৰ চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বান শিবিৰ পৰিদৰ্শন কৰিব। ইয়াৰ পাছত ড০ শৰ্মাই শিলচৰৰ মালিনী বিল অঞ্চল, নৰ্মেল স্কুল বান শিবিৰ, কেন্দ্ৰীয় বিদ্যালয়, কছমিক মাৰ্কেট, হিৰণ প্ৰভা দেৱ শিশু মন্দিৰ স্কুলৰ বান শিবিৰ পৰিদৰ্শন কৰি বানপীড়িতসকলৰ সৈতে মত বিনিময় কৰিব।

মুখ্যমন্ত্ৰীয়ে কালি ৰঙানদী শক্তি প্ৰকল্পৰ নিপকোৰ বিষয়ববীয়াৰ সৈতেও পৰ্যালোচনা বৈঠকত মিলিত হয়। তেওঁ জৰুৰীকালীন পৰিস্থিতিৰ জোৰা মৰাৰ বাবে আগতীয়া ব্যৱস্থা গ্ৰহণৰ লগতে জিলা প্ৰশাসনৰ সৈতে সঘনে যোগাযোগ ৰাখিবলৈ নিৰ্দেশ দিয়ে।

পশ্চিম কাৰ্বি আংলঙৰ বান পৰিস্থিতিৰ পৰ্যালোচনা কৰাৰ বাবে মন্ত্ৰী নন্দিতা গাৰ্লোচাই আজি জিলা প্ৰশাসনৰ মূৰববীসকলৰ সৈতে এখন বৈঠকত মিলিত হ'ব। জিলাখনৰ লোক নিৰ্মাণ বিভাগ, জনস্বাস্থ্য কাৰিকৰী বিভাগ, খাদ্য আৰু অসামৰিক যোগান বিভাগ, কৃষি বিভাগ, ৰাজহ বিভাগ, আদিৰ মুৰববীসকলৰ সৈতে আলোচনাত  মিলিত হৈ মন্ত্ৰীগৰাকীয়ে বিষয়াসকলক বানৰ ক্ষেত্ৰত ল'বলগীয়া পদক্ষেপৰ বিষয়ে নিৰ্দেশনা জাৰি কৰিব।

০০০০০০

যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানে কালিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে কৃষকৰ বাবে পুলি বাগান স্থাপন, গছপুলি ৰোপণ আৰু বনানিকৰণৰ বিষয়ত প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰিছে। এই প্ৰশিক্ষণ কাৰ্যসূচীত

বিভিন্ন জিলাৰ ভালেসংখ্যক কৃষক আৰু উদ্যমী ব্যক্তিয়ে অংশগ্ৰহণ কৰিছে। অসম কৃষি বনানিকৰণ উন্নয়নৰ পৰিষদৰ অৰ্থসাহায্যত আয়োজন কৰা এই প্ৰশিক্ষণ কালি বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ সঞ্চালক ডঃ নীতিন কুলকাৰ্ণীয়ে উদ্বোধন কৰে। কাৰ্যসূচীত গুণগত বীজ ৰোপণ, বিজ্ঞানসন্মতভাৱে পুলি বাগানৰ পৰিচালনা, বাঁহৰ সংবৰ্ধন পদ্ধতি, কৃত্ৰিমভাৱে সাচি গছত আগৰ প্ৰস্তুত আদি বিভিন্ন বিষয়ত প্ৰশিক্ষণ প্ৰদান কৰা হয়।

০০০০০০

অহা ২১ জুনৰ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ সৈতে সংগতি ৰাখি তেজপুৰৰ জ্যোতি ভাৰতী প'কীত ৮ জুনত জিলা পৰ্যায়ত যোগ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ছাত্ৰ-ছাত্ৰী তথা জনসাধাৰণৰ মাজত যোগৰ জৰিয়তে শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ যতনেৰে সুস্থ জীৱন শৈলী গঢ়ি তোলাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি এই যোগ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। চাৰিটা শাখাত হ'বলগীয়া এই প্ৰতিযোগিতাৰ বাবে আগ্ৰহীসকলে ৮ জুনৰ পুৱা ৮ বজাৰ পৰা পঞ্জীয়ন কৰিব পাৰিব।

০০০০০০

ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণে কাৰ্বি আংলং জিলাৰ দলদলী সংৰক্ষিত বনাঞ্চলত দখল আৰু পৰিৱেশ বিনষ্ট কৰা সন্দৰ্ভত তদন্তৰ বাবে এখন যুটীয়া সমিতি গঠন কৰিছে। উত্তম বোথাৰি নামৰ এজন লোকে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি ন্যায়াধীকৰণে অসম চৰকাৰৰ প্ৰধান মুখ্য বনসংৰক্ষক কেন্দ্ৰীয় চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ এগৰাকী প্ৰতিনিধি, নাগালেণ্ড চৰকাৰৰ ভূমি ৰেকৰ্ড আৰু জৰীপ বিভাগৰ এগৰাকী প্ৰতিনিধি আৰু কাৰ্বিআংলং স্বায়ত্বশাসিত পৰিষদৰ এজন প্ৰতিনিধিক লৈ এই সমিতিখন গঠন কৰা হৈছে। সমিতিখনক যাৱতীয় তথ্য গ্ৰহণ আৰু সংশ্লিষ্ট পক্ষসমূহৰ সৈতে মত বিনিময় কৰি সংৰক্ষিত বনাঞ্চলখনত দখলৰ অভিযোগ সন্দৰ্ভত দুমাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

০০০০০০

লখিমপুৰ জিলাৰ বিহপুৰীয়া আৰক্ষীয়ে কালি চাইবাৰ অপৰাধৰ সৈতে জড়িত তিনিজন যুৱকক গ্ৰেপ্তাৰ কৰে। ভাৰ্গৱ তামুলী, নিলোৎপল দত্ত আৰু মিণ্টু বৰা নামৰ এই যুৱককেইজনক আন্তঃৰাজ্যিক চাইবাৰ চক্ৰই বিভিন্ন লোকৰ বেংক একাউণ্টৰ পৰা কৌশলেৰে লুট কৰা ধনৰ লেনদেনৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰিছিল। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে সুদীৰ্ঘ দিন ধৰি তেওঁলোকক চক্ৰটোৱে তৃতীয় পক্ষ হিচাপে ব্যৱহাৰ কৰি ধন লুট কৰি আহিছিল। এই চক্ৰটোৱে টেলিগ্ৰাম এপৰ একাউণ্টৰ সহায়ত যুৱক কেইজনক দিয়া বিভিন্ন ইউ পি আই আই ডি সমূহলৈ বেংকৰ পৰা সৰকোৱা ধন প্ৰেৰণ কৰিবলৈ দিছিল। ইয়াৰ বিনিময়ত তেওঁলোকক লভ্যাংশ দিয়া হৈছিল। বিহপুৰীয়া আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা যুৱককেইজনক কালি লখিমপুৰৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হয়।

০০০০০০

অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ নৱনিযুক্ত সভাপতি গৌৰৱ গগৈয়ে আজি আনুষ্ঠানিকভাৱে কাৰ্যভাৰ গ্ৰহণ কৰিব। গুৱাহাটীৰ ৰাজীৱ ভৱনত আয়োজিত এটা অনুষ্ঠানত গগৈয়ে বিদায়ী সভাপতি ভূপেন বৰাৰ পৰা আজি আনুষ্ঠানিকভাৱে দায়িত্ব গ্ৰহণ কৰিব।

০০০০০০

সমাপ্ত